গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE

**অসমীয়া বিভাগ**
**শিমলুগুৰি, শিৱসাগৰ**
Department of Assamese

2022-23

## দুদিনীয়া ৰাজ্যিক আলোচনা চক্ৰঃ

**বিষয়ঃ** 'অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিঃ অধ্যয়নৰ ভিন্ন মাত্ৰা'

বিষয়ৰ প্ৰকৃতিঃ ভাৰতীয় জ্ঞান ব্যৱস্থাৰ অন্তৰ্গতভাৱে অসমীয়া সাহিত্য-ভাষা-সংস্কৃতিৰ ইতিহাস অন্বেষণ

**বীজ ভাষণঃ** ড° জ্যোতিৰেখা হাজৰিকা, সহযোগী অধ্যাপক, বিশিষ্ট ভাষা চৰ্চাকাৰী, সাহিত্যিক,অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয়

**সঞ্চালকঃ** নীলাক্ষি চেতিয়া , অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয় আৰু ড° চণ্ডীচৰণ গোস্বামী, ডিকেডি মহাবিদ্যালয়

**সমল ব্যক্তি-ড°** কৰবী গগৈ, প্ৰণৱ দুৱৰা,ৰুণজুন হাজৰিকা, ড° অংকুৰ দত্ত লাৱণ্য বৰা আৰু অমল চন্দ্ৰ দাস

**যোগদান কাৰী শিক্ষাৰ্থী আৰু আলোচনা পত্ৰঃ** ৬২গৰাকী শিক্ষাৰ্থীয়ে একক আৰু যুটীয়াভাৱে প্ৰস্তুত কৰা সৰ্বমুঠ ৩১ গৱেষণা-পত্ৰ উপস্থাপন কৰে।

**বিস্তৃত বিৱৰণঃ** গড়গাঁও মহাবিদ্যালয় আৰু গোলাঘাটৰ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত ২২ আৰু ২৩ অক্টোবৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ অসমীয়া বিভাগত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিঃ অধ্যয়নৰ ভিন্ন মাত্ৰা' শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰখনি সফলতাৰে অনুষ্ঠিত হৈ যায়৷

জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক, বিশিষ্ট ভাষা চৰ্চাকাৰী, সাহিত্যিক ড° জ্যোতিৰেখা হাজৰিকা বাইদেৱে বীজ ভাষণত অসমীয়া ভাষা,লিপিৰ উৎস, সাহিত্যৰ বুৰঞ্জী, বৈচিত্ৰ্যময় তথা সমৃদ্ধিশালী অসমৰ সংস্কৃতি সম্পৰ্কীয় বিভিন্ন সমল আগবঢ়োৱাৰ লগতে এইসম্পৰ্কীয় কেতবোৰ দিশৰ পুনৰ

পৰ্যবেক্ষণ, অধ্যয়নৰ জৰিয়তে বিভ্ৰান্তি, মতভেদসমূহ আঁতৰোৱাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে মননশীল তথা মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে।

অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ৬২গৰাকী শিক্ষাৰ্থীয়ে একক আৰু যুটীয়াভাৱে প্ৰস্তুত কৰা সৰ্বমুঠ ৩১ গৱেষণা-পত্ৰ উপস্থাপন কৰে।

আলোচনা-চক্ৰৰ সঞ্চালক হিচাপে উপস্থিত থাকে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া আৰু ডিকেডি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° চণ্ডীচৰণ গোস্বামী। সমল ব্যক্তি হিচাপে উপস্থিত থাকে টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° কৰবী গগৈ, গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা,ৰুণজুন হাজৰিকা, সহকাৰী অধ্যাপক ড° অংকুৰ দত্ত, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক লাৱণ্য বৰা আৰু সহকাৰী অধ্যাপক অমল চন্দ্ৰ দাস।

শ্ৰেষ্ঠ গৱেষণা পত্ৰৰ সন্মান লাভ কৰে বৰহোলা মহাবিদ্যালয়ৰ কেশৱ বৰা , কাকজান মহাবিদ্যালয়ৰ অৰ্চনা বৰুৱা, দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰীতিৰেখা নেওগে আৰু মানসম্পন্ন গৱেষণা পত্ৰৰ বঁটা লাভ কৰে মৰাণ মহাবিদ্যালয়ৰ গৌতম ফুকন, গড়গাঁও মহাবিদ্যালয়ৰ গাৰ্গী বৰুৱা আৰু কৰবী গগৈ, চি.কে.বি কলেজৰ সাধনা গগৈ,অনুৰূপা ফুকন আৰু পল্লৱী দত্ত, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ মৃগাংক বৰা, শিৱসাগৰ মহাবিদ্যালয়,জয়সাগৰৰ নৱজিত চেতিয়া আৰু সুকন্যা শইকীয়া, শতপদ্ম শইকীয়া, দুলীয়াজান মহাবিদ্যালয়ৰ পূৰৱী ফুকন আৰু নেহা ভক্ত, ডিব্ৰু কলেজৰ জাহ্নৱী গগৈ আৰু পূবালী গগৈ,শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰজ্ঞাশ্ৰী বৰুৱা,মাইনী বুঢ়াগোহাঁই আৰু সুস্মিতা গগৈ আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ স্বপ্নম জ্যোতি কলিতাই।

অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক, গৱেষণা পত্ৰৰ শিক্ষক তত্ত্বাৱধায়ক আৰু শিক্ষাৰ্থীসকলে এই আলোচনা চক্ৰখনিয়ে তেওঁলোকক উপকৃত কৰিছে বুলি আমাক জনাইছে।

*[Translation of the Assamese version of the report]*

# Two-day state Seminar

**Name of the Seminar**: 'Asomiya Sahityar Burnji Aru Asomar Sanskriti: Adhyanar Bhinna Matta'

**Related to IKS, RM, IPR or Entrepreneurship-Indian Knowledge System**

**Date (From-to): 22nd to 23rd October, 2022**

**Organized by: Department of Assamese Collaboration with DKD College, Golaghat**

**Mode of Meeting: Virtual**

**Name of the Key note Speaker & Resource Person** Dr. Jyotirekha Hazarika, Associate Professor, Distinguished Language Practitioner, Literary, Department of Assamese, Jagannath Barua College

Directors: Nilakhi Chetia, Department of Assamese, Gargaon College and Dr. Chandicharan Goswami, DKD College

**Resource persons-**Dr. Karabi Gogoi, Pranab Dowarah,Runjun Hazarika, Dr. Ankur Dutta, Lavanya Bora and Amal Chandra Das

Participating Students and Papers: 62 students presented a total of 31 papers prepared individually and jointly.

**Brief report of the program** The state level seminar was successfully held at the Gargaon college. Dr. Jyoti Rekha Hazarika, Associate Professor, Department of Assamese, Jagannath Barua College, prominent language scholar and writer, presented various resources on the Assamese language, sources of script, history of literature, culture of diverse and rich Assam Anti, differences of opinion He gave a thoughtful and interesting lecture on the need to take action in removal.

62 students from various colleges of Assam presented a total of 31 papers prepared individually and jointly.

The seminar was moderated by Nilakhi Chetia, Head of Assamese Department, Gargaon College and Dr. Chandicharan Goswami, Head of Assamese Department, DKD College. The resource persons were Dr. Karabi Gogoi, Head of Assamese Department, Chandrakamal Bezbarua College, Tiyak, Associate Professors, Assamese Department, Gargaon College, Pranab Duwara, Runjun Hazarika, Assistant Professors, Dr. Ankur Dutta and Associate Professor, Lavanya Bora, Assamese Department, Kamal Duwara College, Dergaon and Assistant Professor Amal Chandra Das.

The awards were presented to Keshav Bora of Barhola College , Archana Barua of Kakjan College, Preetirekha Neog of Dikhoumukh College and Gautam Fukan of Maran College, Gargi Barua and Karabi Gogoi of Gargaon College, Sadhana Gogoi, Anurupa of CKB College. Phukan and Pallavi Dutta,They are Navjit Chetia and Sukanya Shaikia, Shatapadma Shaikia of Sivasagar College, Joysagar,

Purvi Phukan and Neha Bhakt of Duliajan College, Jahnavi Gogoi and Pubali Gogoi of Dibru College, Pragya Sri Barua, Maini Buragohain and Susmita Gogoi of Sivsagar Girls College .

**Media coverage (Link for YouTube, Newspaper cutting):**



# গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত ছাত্ৰ আলোচনা চক্ৰ সম্পন্ন

**শিৱসাগৰ** ঃ বিশেষ সংবাদদাতা, ২৪ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয় আৰু গোলাঘাটৰ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত যোৱা ২২ আৰু ২৩ অক্টোবৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ অসমীয়া বিভাগত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত ‘অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতি ঃ অধ্যয়নৰ ভিন্ন মাত্ৰা’ শীৰ্ষক এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই আলোচনা চক্ৰখন উদ্বোধন কৰি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈ, আলোচনা-চক্ৰখনৰ সমন্বয়ক গড়গাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল, ড° অংকুৰ দত্ত, ডিকেডি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মণিকা চুতীয়া আৰু মৃদুল মৰাণৰ লগতে বিভাগীয় অধ্যাপকলৈ ধন্যবাদ জ্ঞাপন কৰে। ডিকেডি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পবিত্ৰ মহন্তই আদৰণী ভাষণ আৰু গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়াই বিভাগীয় প্ৰধানৰ একাষাৰ আগবঢ়োৱাৰ পাছতে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই বীজ ভাষণ প্ৰদান কৰে। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ৬২গৰাকী শিক্ষাৰ্থীয়ে একক আৰু যুটীয়াভাৱে প্ৰস্তুত কৰা সৰ্বমুঠ ৩১ গৱেষণা-পত্ৰৰ সাৰাংশ সংগ্ৰহ উদ্বোধন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° চণ্ডীচৰণ গোস্বামীয়ে। দুটা কাৰিকৰী বৈঠকত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰৰ সঞ্চালক হিচাপে উপস্থিত থাকে অধ্যাপিকা নীলাক্ষি চেতিয়া আৰু অধ্যাপক ড° চণ্ডীচৰণ গোস্বামী। সমল ব্যক্তি হিচাপে উপস্থিত থাকে টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° কৰবী গগৈ, গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা, ঋণজুন হাজৰিকা, সহকাৰী অধ্যাপক ড° অংকুৰ দত্ত, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক লাৱণ্য বৰা আৰু সহকাৰী অধ্যাপক অমল চন্দ্ৰ দাস। শ্ৰেষ্ঠ গৱেষণা পত্ৰৰ সন্মান লাভ কৰে বৰহোলা মহাবিদ্যালয়ৰ কেশৱ বৰা, কাকজান মহাবিদ্যালয়ৰ অৰ্চনা বৰুৱা, দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰীতিৰেখা নেওগে আৰু মানসম্পন্ন গৱেষণা পত্ৰৰ বঁটা লাভ কৰে মৰাণ মহাবিদ্যালয়ৰ গৌতম ফুকন, গড়গাঁও মহাবিদ্যালয়ৰ গাৰ্গী বৰুৱা আৰু কৰবী গগৈ, চিকেবি কলেজৰ সাধনা গগৈ, অনুৰূপা ফুকন আৰু পল্লবী দত্ত, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ মৃগাংক বৰা, শিৱসাগৰ মহাবিদ্যালয়, জয়সাগৰৰ নৱজিত চেতিয়া আৰু সুকন্যা শইকীয়া, শতপদ্ম শইকীয়া, দুলীয়াজান মহাবিদ্যালয়ৰ পূৰৱী ফুকন আৰু নেহা ভক্ত, ডিব্ৰু কলেজৰ জাহ্নৱী গগৈ আৰু পূবালী গগৈ, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰজ্ঞাশ্ৰী বৰুৱা, মাইনী বুঢ়াগোহাঁই আৰু সুস্মিতা গগৈ আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ স্বপ্নজ্যোতি কলিতাই। দ্বিতীয় দিনা ডিকেডি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক জুবিলী শইকীয়াই আঁত ধৰা সামৰণী অনুষ্ঠানটোত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক, গৱেষণা পত্ৰৰ শিক্ষক তত্বাৱধায়ক আৰু শিক্ষাৰ্থীসকলে সুশৃংখলিত তথা বিশদভাৱে আয়োজন কৰা এই ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰখনে তেওঁলোকৰ লগতে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি অধ্যয়নৰ প্ৰতি আগ্ৰহী সকলোকে বিশেষভাৱে উপকৃত কৰিছে বুলি মত প্ৰকাশ কৰে।

**Youtube link**

https://youtu.be/L4RWp5NSWFg

**Screenshots of the online program:**







**Number of Participants: 62**
**List of participants:**

Online registration of participants:
https://docs.google.com/spreadsheets/d/1NPRD7a5EZmYgOCwSTW2uxijn5t6NYjJKSKWv8eoy6lo/edit?usp=drivesdk

**Photocopy of the flyer:**



ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ

“অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিঃ অধ্যয়নৰ ভিন্ন মাত্ৰা”

গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যুটীয়া উদ্যোগত স্নাতক শিক্ষাৰ্থীৰ বাবে ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ

(কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যয়নৰত শিক্ষাৰ্থীৰ বাবে)

দিনাংকঃ ২২ আৰু ২৩ অক্টোবৰ, ২০২২

মাধ্যমঃ অনলাইন

**নিমন্ত্ৰণ**

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে, গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অহা ২২ আৰু ২৩ অক্টোবৰ, ২০২২ তাৰিখে অনলাইন মাধ্যমেৰে **“অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতি অধ্যয়নঃ অধ্যয়নৰ ভিন্ন মাত্ৰা”** শীৰ্ষক এখনি ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ আয়োজন কৰিছোঁ। আশা কৰোঁ আপোনালোকৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতাই আমাৰ এই বিদ্যায়তনিক প্ৰয়াসক সফল কৰি তুলিব।

ড° সব্যসাচী মহন্ত
অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়


ড° ৰঞ্জিত কুমাৰ বৰদলৈ
অধ্যক্ষ, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়

দেৱযানী বৰুলীয়াল
ড° অংকুৰ দত্ত
সমন্বয়ক, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ

ড° মণিকা চুতীয়া
মৃদুল মৰাণ
সমন্বয়ক, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰ

**আয়োজক সমিতি**

**মুখ্য উপদেষ্টাঃ** ড° সব্যসাচী মহন্ত, অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়।
ড° ৰঞ্জিত কুমাৰ বৰদলৈ, অধ্যক্ষ, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।
**উপদেষ্টাঃ** নীলাক্ষি চেতিয়া, বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়।
ড° চণ্ডীচৰণ গোস্বামী, বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।
**আলোচনা চক্ৰৰ সমন্বয়কঃ** দেৱযানী বৰুলীয়াল, ড° অংকুৰ দত্ত, সহকাৰী অধ্যাপক, গড়গাঁও মহাবিদ্যালয়।
ড° মণিকা চুতীয়া, মৃদুল মৰাণ, সহকাৰী অধ্যাপক, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।
**সদস্যঃ** প্ৰণৱ দুৱৰা, ৰুণজুন হাজৰিকা, প্ৰিয়ম্মা দিহিঙীয়া, সহযোগী অধ্যাপক, গড়গাঁও মহাবিদ্যালয়।
লাৱণ্য বৰা, সহযোগী অধ্যাপক, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।
অমল চন্দ্ৰ দাস, জুবিলী শইকীয়া, সহকাৰী অধ্যাপক, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়।




**উপ-বিষয়ঃ**

- অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা
- অসমীয়া সাহিত্যৰ যুগ বিভাজন
- অসমীয়া লোকসাহিত্যৰ বিভিন্ন বিধা বা প্ৰকাৰ
- অসমীয়া লোক কবিতা
- অসমীয়া লোকসাহিত্যৰ সাহিত্যিক সৌন্দৰ্য, লোকসাহিত্যত প্ৰতিফলিত অসমীয়া সমাজ-সংস্কৃতি
- বিভিন্ন যুগৰ (প্ৰত্ন বা আদি, মধ্য আৰু আধুনিক) সাহিত্যৰ সামাজিক আৰু বৌদ্ধিক পটভূমি
- প্ৰাক্-শংকৰী যুগৰ সাহিত্য আৰু সাহিত্যিক
- শংকৰী যুগৰ সাহিত্য আৰু সাহিত্যিক
- শংকৰোত্তৰ যুগৰ সাহিত্য (চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক জ্ঞানৰ সাহিত্য) আৰু সাহিত্যিক
- আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত মিছনেৰীসকলৰ ভূমিকা
- অসমীয়া ভাষা-সাহিত্যৰ বিকাশত আলোচনীৰ (অৰুনোদই, জোনাকী, বাঁহী, আৱাহন, জয়ন্তী, ৰামধেনু) ভূমিকা
- অসমীয়া কাব্য সাহিত্যৰ বিকাশত জোনাকী যুগৰ কবিসকলৰ ভূমিকা
- আৱাহন যুগৰ গল্প সাহিত্য
- আধুনিক কালৰ অসমীয়া কবি (চন্দ্ৰকুমাৰ আগৰৱালা, নৱকান্ত বৰুৱা, নীলমণি ফুকন আৰু কৰবী ডেকা হাজৰিকা) আৰু কবিতা
- সাম্প্ৰতিক অসমীয়া সাহিত্য (কবিতা, গল্প আৰু শিশু সাহিত্য) আৰু সাহিত্যিক
- অসমীয়া নাটকৰ গতি-প্ৰকৃতি
- পুৰণি অসমীয়া নাটক আৰু নাট্যকাৰ (শংকৰদেৱ, মাধৱদেৱ)
- আধুনিক অসমীয়া নাটক আৰু নাট্যকাৰ (পদ্মনাথ গোহাঞিবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, অৰুণ শৰ্মা, যোগেন চেতিয়া)
- অসমৰ সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য
- অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান
- অসমৰ সংস্কৃতি আৰু সমন্বয়
- অসমৰ বিভিন্ন জনগোষ্ঠীৰ (মিচিং আৰু সোণোৱাল কছাৰী) লোকাচাৰ আৰু লোকবিশ্বাস
- অসমৰ বিভিন্ন জনগোষ্ঠীৰ (বড়ো আৰু কাৰ্বি) সাজপাৰ আৰু অয়-অলংকাৰ
- অসমৰ স্থাপত্য-ভাস্কৰ্যৰ ইতিহাস আৰু বিশেষত্ব
- মূল বিষয়ৰ লগত সম্পৰ্কিত আন যিকোনো বিষয়।

**সম্মানীয় শিক্ষক বন্ধুসকললৈঃ**

আলোচনা চক্ৰৰ বাবে নিৰ্বাচন কৰা মূল বিষয় আৰু উপ-বিষয়সমূহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ অসমীয়া উচ্চমান পাঠ্যক্ৰমৰ C-1, C-2, C-6, C-7 আৰু C-11 কাকতৰ অন্তৰ্গত। এই আলোচনা চক্ৰৰ যোগেদি শিক্ষাৰ্থীসকলে গৱেষণামূলক দৃষ্টিভংগীৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু অসমৰ সংস্কৃতিৰ অন্তৰ্গত বিষয় কেতবোৰ অধ্যয়নৰ সুযোগ লাভ কৰিব। বৰ্তমান অসমীয়া উচ্চমানৰ পাঠ্যক্ৰমত প্ৰকল্প বা গৱেষণাৰ দৰে বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। অনাগত দিনত নতুন শিক্ষানীতিয়ে আনিবলগীয়া পৰিবৰ্তিত শিক্ষা-ব্যৱস্থাৰ লগত সমাযোজন কৰাৰ ক্ষেত্ৰত আৰু লগতে উচ্চ শিক্ষাৰ ক্ষেত্ৰতো এনে অনুশীলনে শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি ভবা হৈছে। শিক্ষাৰ্থীসকলে এই অনুশীলনৰ যোগেদি কেৱল মহাবিদ্যালয়ৰ চৌহদতে সীমিত নাথাকি এক বহল প্ৰেক্ষাপটত আত্ম-মূল্যায়ন কৰাৰ সুযোগ লাভ কৰিব বুলি ভবা হৈছে। শিক্ষাৰ্থী সমাজৰ উপকাৰৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ সম্মানীয় শিক্ষক বন্ধুসকলক নিজৰ নিজৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক এই আলোচনা চক্ৰত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিবলৈ আৰু লগতে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই গড়গাঁও মহাবিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এই প্ৰচেষ্টা সফল কৰি তুলিব বুলি আশা কৰিলোঁ।



## আলোচনা-পত্ৰ প্ৰেৰণৰ নিৰ্দেশনাঃ

(শিক্ষাৰ্থীসকলক আলোচনা-পত্ৰৰ সাৰাংশ আৰু মূল পত্ৰ প্ৰস্তুত আৰু প্ৰেৰণ কৰাৰ সময়ত তলৰ নিয়মাৱলীসমূহ মানি চলিবলৈ অনুৰোধ জনোৱা হৈছে।)

- আলোচনা-পত্ৰসমূহ কেৱল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যয়নৰত স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীসকলে (এককভাৱে বা ২-৩ জনে দলীয়ভাৱে) তেওঁলোকৰ কোনো শিক্ষকৰ তত্ত্বাৱধানত অসমীয়া ভাষাত প্ৰস্তুত কৰিব পাৰিব।
- আলোচনা-পত্ৰৰ সাৰাংশ ১৫০-২০০ শব্দৰ ভিতৰত হ'ব লাগিব আৰু বিষয়ৰ লগত সম্পৰ্কিত ৪-৫ টা বীজশব্দৰ উল্লেখ থাকিব লাগিব।
- মূল আলোচনা-পত্ৰৰ শব্দ সংখ্যা ১২০০-১৫০০ৰ ভিতৰত সীমিত হ'ব লাগিব। অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ নাম, তত্ত্বাৱধায়কৰ নাম, মহাবিদ্যালয়ৰ নাম, শ্ৰেণী আৰু যোগাযোগৰ তথ্য (ফ'ন নং আৰু ই-মেইল আইডি) স্পষ্টকৈ উল্লেখ কৰিব লাগিব।
- সাৰাংশ আৰু মূল আলোচনা-পত্ৰসমূহ MS-Word (ইউনিক'ডত টাইপ কৰি) অথবা পেজমেকাৰত টাইপ কৰি (Geetanjali Font, Font Size: 14) Mail (seminardkdgc@gmail.com) কৰিব লাগিব।

▸ আলোচনা-পত্ৰৰ মান, মৌলিক চিন্তা-ধাৰণা আৰু উপস্থাপন শৈলীৰ (মৌখিকভাৱে বিষয় উপস্থাপন, PPT আদি) ভিত্তিত তিনিগৰাকী অংশগ্ৰহণকাৰীলৈ বিশেষ বঁটা আগবঢ়োৱা হ'ব।

▸ আলোচনা-পত্ৰ উপস্থাপনকাৰীসকলৰ লগতে পঞ্জীয়ন কৰা সকলো অংশগ্ৰহণকাৰী আৰু শিক্ষক তত্ত্বাৱধায়কক প্ৰমাণপত্ৰ দিয়া হ'ব। এজন শিক্ষক তত্ত্বাৱধায়কে কেৱল এজন শিক্ষাৰ্থী বা শিক্ষাৰ্থীৰ দল একোটাৰহে দায়িত্ব ল'ব পাৰিব।

- আলোচনা-পত্ৰৰ সাৰাংশ জমা দিয়াৰ শেষ তাৰিখঃ ১২-১০-২০২২
- সম্পূৰ্ণ আলোচনা-পত্ৰ জমা দিয়াৰ শেষ তাৰিখঃ ১৬-১০-২০২২

**পঞ্জীয়নৰ মাচুলঃ**
ছাত্ৰ-শিক্ষক তত্ত্বাৱধায়কঃ ১৫০/- (আলোচনা-পত্ৰসহ)
ছাত্ৰ-ছাত্ৰীঃ ৫০/- (আলোচনা-পত্ৰবিহীন উপস্থিতি)

- আগ্ৰহীসকলে তলত উল্লেখ কৰা লিংকৰ যোগেদি WhatsApp Groupত সংযোগ হ'ব পাৰিব। পৰৱৰ্তী সময়ত WhatsApp Groupতেই পঞ্জীয়ন লিংক দিয়া হ'ব।

*যোগাযোগৰ সবিশেষঃ*

WhatsApp Group Link: https://chat.whatsapp.com/Hw27kn9cTVb3zNGFoQ1L3v

Contact: ৯১০১৩৩৭৭০৭, ৯৮৫৪৭০৭০১৪, ৯৮৫৪৮৪৪১০৪, ৭০০২৯৭১০০২

Email: seminardkdgc@gmail.com

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়